# 2019

## ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) "মোৰ ভাৰ্য্যাৰ নহৈ মোৰ মৃত্যু হোৱা হ'লেও তেওঁৰ অৱস্থা কি হ'লহেঁতেন ?" কথাষাৰৰ বক্তা কোন ?

(খ) 'দিক্কৰ'ৰ আধুনিক নাম কি ?

(গ) জীৱনৰ সকলোতকৈ ঘাই সোঁৱৰণি আৰু কৃতজ্ঞতা প্ৰকাশৰ মূখ্য উপায় কি ?

(ঘ) আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল ?

(ঙ) স্পাৰ্টান আৰু এথেনিয়ান কি ?

(চ) বিশ্ব চৰাচৰৰ চিৰ-যৌৱনা উৰ্বশী কোন ?

(ছ) "জীৱন এটি ৰূপক মাথোন।" কথাষাৰ কোনে কৈছিল ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) হেমচন্দ্ৰ বৰুৱাৰ দদায়েকৰ নাম কি? তেওঁৰ জীৱিকা কি আছিল?

(খ) "ঠিক হোৱা নাই, আকৌ ধ্যান কৰা।" কথাষাৰ কোনে, কাক কৈছিল?

(গ) 'ৰামনৱমী' নাটকৰ মূল বক্তব্য কি?

(ঘ) আমিয়েলৰ অন্তৰঙ্গ বন্ধু এডমাণ্ড ছেৰাৰে লিখা পাতনিত ক্ষোভেৰে কি বুলি লিখিছিল?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) হেমচন্দ্ৰ বৰুৱাই বৰ্ণবিন্যাস সংশোধনৰ নিমিত্তে কৰা যত্নত কাৰ পৰা বাধা পাইছিল? 'ৱ' আখৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁ কেনে পৰিস্থিতিৰ সম্মুখীন হৈছিল?

(খ) কোনটো পৱিত্ৰ দিনত লেখকে সৌমাৰ পীঠলৈ যাত্ৰা কৰিব খুজিছিল? সেই দিনটোৰ তাৎপৰ্যৰ কথা তেওঁ কিদৰে উল্লেখ কৰিছে?

(গ) "সকলো প্ৰকাৰৰ উপদেশতকৈ জীৱনৰ দৃষ্টান্ত বেছি কাৰ্যকাৰক।" কথাষাৰ ব্যাখ্যা কৰা।

(ঘ) গুণাভিৰাম বৰুৱাই কিয় শেহান্তত স্বেচ্ছাই প্ৰবসুৱা শান্তি বিচাৰিবলগীয়া হৈছিল, বুজাই লিখা।

(ঙ) ব্ৰহ্মক কিয় সচ্চিদানন্দ বুলি কোৱা হয়?

৪। (ক) আত্মজীৱনী বুলিলে কি বুজা? হেমচন্দ্ৰ বৰুৱাৰ 'আত্ম-জীৱন-চৰিত' পাঠটিত আত্মজীৱনীৰ কোনবোৰ বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) গুণাভিৰাম বৰুৱাৰ 'সৌমাৰ ভ্ৰমণ' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখা।

৫। (ক) প্ৰাচীন ভাৰতত শিক্ষাৰ পোহৰ বিলাবলৈ কিমানখন বিশ্ববিদ্যালয় আছিল? ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰা সৃষ্টিত সেই শিক্ষানুষ্ঠানসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) "হেমচন্দ্ৰৰ ৰচনাৰ সংস্কাৰদৃষ্টি প্ৰতিশোধৰ তিক্ততাৰে উগ্ৰ, গুণাভিৰামৰ দৃষ্টি সহানুভূতিৰ কোমলতাৰে মৃদু।" তোমাৰ পাঠ্য প্ৰবন্ধৰ আধাৰত কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

৬। (ক) 'শ্ৰীকৃষ্ণ তত্ত্ব' প্ৰবন্ধত কৃষ্ণতত্ত্বৰ বিশ্লেষণ কিদৰে কৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) "আমিয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাৱদ্ধ জ্ঞানৰ হেঁচাত স্বাভাৱিকৰূপে বিকাশ লাভ কৰিব নোৱাৰা অন্তঃপ্ৰাণৰ ৰস নিৰ্যাস মাথোন।" এই মন্তব্যৰ আধাৰত আমিয়েলৰ ডায়েৰীৰ এটি আলোচনা আগবঢ়োৱা।

★★★